**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-March-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————

আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে আজি যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে দেশজুৰি অস্মিতা লীগৰ আয়োজন কৰিছে। ইয়াৰ জৰিয়তে তৃণমূল পৰ্যায়ৰ মহিলা এথলিটসকলক এখন প্ৰতিযোগিতামূলক মঞ্চ প্ৰদান কৰি মহিলা সৱলীকৰণৰ লক্ষ্য লোৱা হৈছে। এই লীগৰ জৰিয়তে সমাগত দিনবোৰত দেশত ক্ৰীড়া সংস্কৃতি গঢ়ি তুলিবলৈ আৰু শক্তিশালী কৰি তুলিবলৈ  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্বপ্নক বাস্তৱায়িত কৰা হ'ব। এই প্ৰতিযোগিতা ছোৱালীবোৰৰ বাবে মুঠ তিনিটা শাখাত অনুষ্ঠিত হ'ব। ১৩ বছৰ, ১৩ৰ পৰা ১৮ বছৰৰ ভিতৰত আৰু ১৮ৰ বছৰৰ উৰ্দ্ধ- এই তিনিটা শাখাত এথলিটসকলে ক্ৰমে ১০০ মিটাৰ, ২০০ মিটাৰ আৰু ৪০০ মিটাৰৰ দৌৰত অংশগ্ৰহণ কৰিব। গ্ৰামাঞ্চল আৰু সৰু চহৰৰ ছোৱালীসকলক ক্ৰীড়াক কেৰিয়াৰ হিচাপে লোৱাৰ বাবে উৎসাহিত কৰাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

অসমৰো বিভিন্ন স্থানত আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ লগত সংগতি ৰাখি অস্মিতা শীৰ্ষক লীগ আৰু অন্যান্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিৱসাগৰ জিলা ক্ৰীড়া বিষয়া কাৰ্য্যালয় আৰু মাই ভাৰতৰ জিলা যুৱ বিষয়াৰ যৌথ উদ্যোগত এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিৱসাগৰৰ ঐতিহাসিক পিয়লি ফুকন ষ্টেডিয়ামত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। মাই ভাৰত কেন্দ্ৰ গোৱালপাৰাৰ সহযোগত দুধনৈ হাইস্কুল খেলপথাৰতো অস্মিতা লীগৰ আয়োজন কৰা হৈছে।

০০০০০০

বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যত ৰাজনৈতিক দলসমূহে নিৰ্বাচনী তৎপৰতা অব্যাহত ৰাখিছে। বিজেপিয়ে জন আশীৰ্বাদ যাত্ৰাৰ জৰিয়তে জনতাৰ কাষ চপাৰ চেষ্টা কৰাৰ সমান্তৰালকৈ বিৰোধী দল কংগ্ৰেছে সময় পৰিৱৰ্তন যাত্ৰাৰ জৰিয়তে ভোটাদাতাক আকৰ্ষণৰ বাবে চেষ্টা চলাইছে। বিজেপিয়ে জন আশীৰ্বাদ যাত্ৰাৰ সপ্তম দিনত আজি মাৰ্ঘেৰিটা, ডিগবৈ আৰু মাকুম সমষ্টিক সামৰি ল'ব। এই যাত্ৰাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰিব। কালি মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ নেতৃত্বত শাসকীয় দলটোৱে গোলাঘাট জিলাৰ সৰুপথাৰ, গোলাঘাট, খুমটাই আৰু দেৰগাঁও সমষ্টিক সামৰি জন আশীৰ্বাদ যাত্ৰা কৰে। সৰুপথাৰৰ পৰা আৰম্ভ হোৱা এই যাত্ৰাত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, সাংসদ কামাখ্যা প্ৰসাদ তাছা, সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকন আদিয়েও অংশগ্ৰহণ কৰে। বিয়লি মেৰাপানীৰ ৰংগস্থলীত অনুষ্ঠিত এখন জনসভাত মুখ্যমন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰে।

প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে কালি যোৰহাটত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। সাংসদগৰাকীয়ে যোৰহাট লোকসভা সমষ্টিত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে জনসাধাৰণৰ সৈতে মত বিনিময় কৰে।

ইপিনে, ওদালগুৰিত কালি বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে দিছপুৰ চলো যাত্ৰাত অংশগ্ৰহণ কৰে। যোৱা ২৫ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হোৱা দিছপুৰ চলো যাত্ৰা কালি তামুলপুৰত উপস্থিত হয়।

০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত টিংখং বিধানসভা সমষ্টিত এটা অতিথিশালা আৰু পুথিভঁৰাল গৃহ উদ্বোধন কৰে। ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষৰ ৰাজ্যসভাৰ সাংসদ পুঁজিৰ ১৫ লাখ টকা ব্যয়েৰে এই প্ৰকল্পৰ নিৰ্মাণ কৰা হৈছে। এই প্ৰকল্পই ৰাইজক উপকৃত কৰাৰ লগতে বৌদ্ধিক উৎকৰ্ষ সাধনত সহায় কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

(বাইট- সোণোৱাল)

অনুষ্ঠানত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, অসম পৰ্যটন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠান সন্দৰ্ভত মন্ত্ৰী শ্ৰী বৰাই কয়, যে এই পদক্ষেপে গুৰুজনাৰ অপূৰ্ব সৃষ্টি নামঘৰৰ সামাজিক, সাংস্কৃতিক পৰিৱেশ শক্তিশালী কৰাৰ লগতে অঞ্চলটোৰ ৰাইজৰ মাজত শিক্ষা আৰু আধ্যাত্মিক চেতনা বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। তদুপৰি এই প্ৰকল্পসমূহে অঞ্চলটোৰ সামগ্ৰিক অগ্ৰগতি ত্বৰান্বিত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০

শ্ৰীভূমি জিলাৰ পাথাৰকান্দি ৰে'লৰে ষ্টেচনত কালিৰে পৰা দুখন দূৰণিবটিয়া ৰে'লগাড়ীৰ নতুন ষ্টপেজ আৰম্ভ হয়। কালি আনুষ্ঠানিকভাৱে পাথাৰকান্দি ৰে'লৰে ষ্টেচনৰ পৰা পতাকা জোকাৰি এই দুয়োখন ৰে'লগাড়ীৰ যাত্ৰা আৰম্ভ কৰা হয়। ১৩১৭৩/১৩১৭৪ শিয়ালদহ-চাব্ৰুম কাঞ্চনজংঘা এক্সপ্ৰেছ আৰু ১২৫০৩/১২৫০৪ আগৰতলা-এছ এম ভি টি বাংগালুৰু হামচফৰ এক্সপ্ৰেছক পাথাৰকান্দি ৰে'লৰে ষ্টেচনত নতুনকৈ ষ্টপেজ দিয়া হৈছে। এই উপলক্ষে নৰ্থ-ইষ্ট ফ্ৰণ্টিয়াৰ ৰে'লৰেৰ উদ্যোগত পাথাৰকান্দি ৰে'ল ষ্টেচন চৌহদত কালি এখন সভাৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি বদৰপুৰৰ এৰিয়া মেনেজাৰ বীৰেন্দ্ৰ কুমাৰে কয়, যে এই ষ্টপেজ দিয়াৰ ফলত পাথাৰকান্দি তথা ইয়াৰ কাষৰীয়া অঞ্চলৰ মানুহৰ বহুদিনীয়া দাবী এটা পূৰণ হ'ল। এই অঞ্চলৰ যাত্ৰীসকলে দূৰণিবটিয়া ৰে'লগাড়ীত যাত্ৰা কৰিবলৈ বদৰপুৰলৈ যাবলগীয়া হৈছিল। এতিয়াৰে পৰা ৰে'ল যাত্ৰীসকলৰ এই অসুবিধা দূৰ হোৱাৰ লগতে সময়ো ৰাহি হ'ব। সভাত অন্যান্য বক্তাসকলে কয়, যে উত্তৰ-পূৰ্বাঞ্চলত ৰে'ল পৰিকাঠামো উন্নয়নৰ ধাৰাবাহিক প্ৰচেষ্টাৰ ফলত এই অঞ্চলৰ যোগাযোগ ব্যৱস্থাত নতুন দিগন্ত উন্মোচিত হৈছে।

ইপিনে, চিৰাঙৰ বিজনী ৰে'ল ষ্টেচনতো কালিৰে পৰা তিনিখনকৈ  দ্ৰুতগামী তথা দূৰণিবটিয়া যাত্ৰীবাহী ৰে'লগাড়ী ৰখোৱাৰ ব্যৱস্থা কৰা হৈছে। গুৱাহাটী ৰে'লৰে বোৰ্ডৰ মহাপ্ৰবন্ধকে বিগত দুই মাৰ্চত জাৰি কৰা এটা নিৰ্দেশনাত কলকাতা, দিল্লী আৰু চেন্নাইলৈ অহা-যোৱা কৰা তিনিখনকৈ ৰে'ল বিজনী ষ্টেচনত ৰখোৱাৰ ব্যৱস্থা কৰাত অঞ্চলটোৰ ৰাইজ উৎফুল্লিত হৈ পৰিছে।  ৰে'ল মন্ত্ৰালয়ৰ এই সিদ্ধান্তৰ বাবে বিজনী ৰে'লৰে যাত্ৰী অধিকাৰ মঞ্চ চমুকৈ বি আৰ ৱাই এ এমৰ সভাপতি সুখৰঞ্জন বীৰ, কাৰ্যকৰী সভাপতি ৰবীন্দ্ৰ নাথ দাস আৰু সাধাৰণ সম্পাদক শুভংকৰ ঘোষে আনন্দ প্ৰকাশ কৰিছে।

০০০০০০

**সমাপ্ত**